**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-01-2025 **Time :** 1340 Hrs.

***Assamese NSD Midday Bulletin***

HEADLINE

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভূৱনেশ্বৰত **উৎকৰ্ষ ওড়িশা, মেক ইন ওড়িশা** সন্মিলন উদ্বোধন কৰে।

২। প্ৰধানমন্ত্ৰীয়ে উত্তৰাখণ্ডৰ ডেৰাডুনৰ মহাৰাণা প্ৰতাপ ষ্টেডিয়ামত আজি ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব।

৩। দিল্লীত ৭০ খন আসনবিশিষ্ট বিধানসভা নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযান চলি আছে।

৪। বেংককৰ নিমিবুটাৰ ষ্টেডিয়ামত আজিৰে পৰা থাইলেণ্ড মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতা অনুষ্ঠিত হৈছে।

**আৰু**

৫। ভাৰত আৰু ইংলেণ্ডৰ মাজৰ টি-টুৱেণ্টি শৃংখলাৰ তৃতীয়খন খেল আজি গুজৰাটৰ ৰাজকোটৰ নিৰঞ্জন শ্বাহ ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভূৱনেশ্বৰত **উৎকৰ্ষ ওড়িশা, মেক ইন ওড়িশা** সন্মিলন উদ্বোধন কৰে। ওড়িশা চৰকাৰৰ উদ্যোগত উৎকৰ্ষ ওড়িশা শীৰ্ষক এই গোলকীয় বিনিয়োগ সন্মিলনখনৰ আয়োজন কৰা হৈছে। এই সন্মিলনৰ জৰিয়তে ৰাজ্যখনলৈ বিনিয়োগকাৰীক আকৰ্ষণৰ চেষ্টা চলোৱা হৈছে। ওড়িশাই এই দুদিনীয়া সন্মিলনৰ মাধ্যমেৰে ৫ লাখ কোটি টকালৈ বিনিয়োগ বৃদ্ধি কৰাৰ লগতে ৰাজ্যখনত তিনি লাখ ৫০ হাজাৰলৈ কৰ্ম সংস্থাপন বৃদ্ধিৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। সন্মিলনখনত দেশৰ ভিন্ন ৰাজ্যৰ বিনিয়োগকাৰী আৰু উদ্যোগপতিৰ লগতে ১২ খন দেশৰ প্ৰতিনিধিসহ সাত হেজাৰৰো অধিক প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিছে।

বিনিয়োগ সন্মিলন উদ্বোধন কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে কেৱল কেচা মালৰ ৰপ্তানিৰ জৰিয়তেই দ্ৰুত বিকাশ সম্ভৱ হৈ নুঠে। তেওঁ এই প্ৰসংগত এই ব্যৱস্থাটোৰ ৰূপান্তৰকৰণৰ বাবে ভাৰতৰ সামগ্ৰিক ঔদ্যোগীক পৰিৱেশতন্ত্ৰটো গুৰুত্ব আৰোপ কৰে।

সন্মিলনত ভাষণ দি ওড়িশাৰ মুখ্যমন্ত্ৰী মোহন চৰণ মাঝিয়ে  কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী বিগত সাত মাহত পঞ্চমবাৰৰ বাবে ৰাজ্যখনলৈ আহিছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰাখণ্ডৰ ডেৰাডুনৰ মহাৰাণা প্ৰতাপ ষ্টেডিয়ামত আজি ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব। কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰী, ভাৰতীয় অলিম্পিক সন্থাৰ বিষয়ববীয়া তথা ৰাষ্ট্ৰীয় খেলুৱৈ উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকিব। ভাৰতীয় অলিম্পিক সন্থাৰ সভাপতি পি টি ঊষা কালিয়েই ডেৰাডুনত উপস্থিত হৈছে।

আমাৰ সংবাদদাতাই জানিবলৈ দিয়া অনুসৰি উদ্বোধনী কাৰ্যসূচীৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈছে। উত্তৰাখণ্ডৰ ৮ খন জিলাৰ ১১ খন নগৰত অহা ১৪ ফেব্ৰুৱাৰীলৈকে ৰাষ্ট্ৰীয় ক্ৰীড়াৰ খেলসমূহ খেলোৱা হ'ব। প্ৰতিযোগিতাত ৩৫ বিধ খেলৰ মুঠ ৪৭টা ইভেণ্ট থাকিব। আজিৰ উদ্বোধনী অনুষ্ঠানত অসমৰ দুজন আন্তৰ্জাতিক ক্ৰীড়াবিদ শ্বাটলাৰ অস্মিতা চলিহা আৰু উশু খেলুৱৈ চানমা ব্ৰহ্মই অসম দলৰ ধবজা বহন কৰিব। অসম অলিম্পিক সন্থাৰ হৈ সম্পাদক লক্ষ্য কোঁৱৰে উদ্বোধনী অনুষ্ঠানত আমন্ত্ৰিত অতিথি হিচাপে ভাগ ল'ব। এইবাৰ ৰাষ্ট্ৰীয় ক্ৰীড়াত অসমে মুঠ ২২ বিধ খেলত অংশ ল'ব।

০০০০০০০

দিল্লীত ৭০ খন আসনবিশিষ্ট বিধানসভা নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযান চলি আছে। বিজেপি, আম আদমী পাৰ্টী আৰু কংগ্ৰেছৰ শীৰ্ষ পৰ্যায়ৰ নেতাসকলে ৰোড শ্ব', ঘৰে ঘৰে প্ৰচাৰ, জনসভা আদিৰ জৰিয়তে ভোট দাতাক আকৰ্ষণ কৰিবলে চেষ্টা চলাইছে।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে আজি বডৰপুৰ আৰু কস্তুৰবা নগৰ সমষ্টিত ৰোড শ্ব'ত ভাগ ল'ব। শ্ৰী শ্বাহে কালকাজি অঞ্চলত এখন জনসভাতো অংশগ্ৰহণ কৰিব। বিজেপিয়ে আজি দলৰ নিৰ্বাচনী ইস্তাহাৰক প্ৰতিফলন কৰা আন এটা নিৰ্বাচনী প্ৰচাৰ গীত মুকলি কৰে। গীতটোত কণ্ঠ দিছে সাংসদ মনোজ তিৱাৰীয়ে। আম আদমী পাৰ্টীৰ ৰাষ্ট্ৰীয় সমন্বয়ক অৰবিন্দ কেজৰিৱালে আজি সন্ধ্যা ঘোন্দা আৰু কাৰাৱাল নগৰত দুখন জনসভাত ভাষণ দিব। দলটোৰ জ্যেষ্ঠ নেতা তথা পঞ্জাবৰ মুখ্যমন্ত্ৰী ভগৱন্ত মানে দিল্লীৰ বিভিন্ন স্থানত ৰোড শ্ব' আৰু জনসভাত ভাগ ল'ব। জনসভাত অংশগ্ৰহণৰ পূৰ্বে কংগ্ৰেছৰ জ্যেষ্ঠ নেতা ৰাহুল গান্ধীয়ে আজি গোল মাৰ্কেটত থকা বাল্মিকী মন্দিৰত পূজা-অৰ্চনা কৰে আৰু স্থানীয় হৰিজন বস্তিৰ লোকসকলক সাক্ষাৎ কৰে। শ্ৰী গান্ধীয়ে আজি সন্ধ্যা পটপৰগঞ্জ আৰু ওখলা সমষ্টিত জনসভাত ভাষণ দিব। কংগ্ৰেছ নেতা শচীন পাইলটে বাদলি অঞ্চলত ৰোড শ্ব' কৰিব। দিল্লীত ৫ ফেব্ৰুৱাৰীত বিভানসভা নিৰ্বাচনৰ ভোটগ্ৰহণ কৰা আৰু ৮ ফেব্ৰুৱাৰীত ভোট গণনা কৰা হ'ব।

০০০০০০০

দিল্লীত বিধানসভা নিৰ্বাচনৰ পূৰ্বে যমুনাৰ পানীক লৈ আম আদমী পাৰ্টী আৰু বিজেপিৰ বাক যুদ্ধই আকৰ্ষণীয় ৰূপ লৈছে। হাৰিয়ানাৰ বিজেপি চৰকাৰে যমুনাৰ পানীত বিহ মিহলোৱা বুলি আপে কৰা অভিযোগৰ বিজেপিয়ে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। বিজেপিৰ মুখপাত্ৰ সুধাংশু ত্ৰিবেদীয়ে সংবাদ মাধ্যমক কয়, যে জল বোৰ্ডে এই অভিযোগ খণ্ডন কৰিছে আৰু এই কথাই চুবুৰীয়া ৰাজ্যখনৰ চৰকাৰৰ বিৰুদ্ধে আম আদমী পাৰ্টীয়ে ভিত্তিহীন অভিযোগ কৰাৰ চেষ্টা কৰা বুলি প্ৰমাণ কৰিছে।

দিল্লীৰ কংগ্ৰেছ নেতা সন্দীপ দীক্ষিতেও এই প্ৰসংগত আপৰ প্ৰধান নেতা অৰবিন্দ কেজৰিৱালক সমালোচনা কৰিছে। শ্ৰী দীক্ষিতে দাবী কৰে যে, যমুনাৰ পানীত কি ধৰণৰ বিহ মিহলোৱা হৈছিল সেই বিষয়ে অৰবিন্দ কেজৰিৱালে ব্যাখ্যা কৰা উচিত।

আপৰ জ্যেষ্ঠ নেতা তথা দিল্লীৰ মুখ্যমন্ত্ৰী আতিশীয়ে যমুনাত এম'নিয়াৰ পৰিমাণ বৃদ্ধিক লৈ মুখ্য নিৰ্বাচন আয়ুক্তলৈ পত্ৰ প্ৰেৰণ কৰিছে। তেওঁ কয়, যে দিল্লী জল বোৰ্ডৰ মুখ্য কাৰ্যবাহী বিষয়াৰ টোকাত দিল্লী জলবোৰ্ড পানী পৰিশোধন প্ৰকল্পই এই এম'নিয়া শোধন কৰিব নোৱাৰে বুলি স্পষ্ট হৈছে। আতিশীৰ মতে হাৰিয়ানাৰ পৰা দিল্লীলৈ বৈ অহা যমুনা নদীৰ পানীত ক্ৰমাৎ এম'নিয়াৰ পৰিমাণ বৃদ্ধি হৈছিল বুলিও জল

বোৰ্ডৰ টোকাত উল্লেখ কৰা হৈছিল। বিহ মিহলোৱা অথবা হাৰিয়ানাৰ ঔদ্যোগীক আৱৰ্জনা পেলোৱাৰ ফলতে যমুনা নদী দুষিত হোৱা বুলিও আতিশীয়ে দাবী কৰে।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি আমেৰিকাৰ যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ডʼনাল্ড ট্ৰাম্পৰ সৈতে বাৰ্তালাপ কৰি তেওঁক দ্বিতীয়টো কাৰ্যকালৰ বাবে অভিনন্দন জনায়। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী মোদীয়ে ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰ পাৰস্পৰিক সম্পৰ্ক সুদৃঢ় কৰাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ বুলি উল্লেখ কৰি কয়, যে দুয়োখন ৰাষ্ট্ৰই জনসাধাৰণৰ কল্যাণৰ লগতে বিশ্বজুৰি শান্তি, সমৃদ্ধি আৰু নিৰাপত্তাৰ ক্ষেত্ৰত একেলগে কাম কৰিব। দয়োগৰাকী নেতাই ভাৰত-প্ৰশান্ত মহাসাগৰীয় খণ্ড, মধ্যপ্ৰাচ্য আৰু ইউৰোপৰ নিৰাপত্তাজনিত বিষয়কে ধৰি অন্যান্য আঞ্চলিক বিষয়ত সহযোগিতা বৃদ্ধিৰ সন্দৰ্ভত লোচনা কৰে।

হোৱাইট হাউচে এটা বিবৃতিত প্ৰকাশ কৰা মতে দুয়োগৰাকী নেতাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আমেৰিকা যুক্তৰাষ্ট্ৰ ভ্ৰমণ সন্দৰ্ভতো আলোচনা কৰে। তেওঁলোকে লগতে দুয়োখন দেশৰ মাজৰ কৌশলগত অংশীদাৰিত্ব আৰু ভাৰত-প্ৰশান্ত মহাসাগৰীয় কোৱাড অংশীদাৰিত্ব সুদৃঢ় কৰি তুলিবলৈ বদ্ধ পৰিকৰ বুলি দোহাৰে। উল্লেখযোগ্য যে, ভাৰতে এইবাৰ প্ৰথমবাৰৰ বাবে চলিত বৰ্ষৰ শেষৰ ফালে কোৱাড শীৰ্ষ নেতাসকলৰ সন্মিলন আয়োজন কৰিছে।

0000000

কলম্বোত থকা ভাৰতৰ উচ্চায়ুক্তই ২০২৫-২৬ শৈক্ষিক বৰ্ষৰ বাবে ২০০ গৰাকী শ্ৰীলংকাৰ শিক্ষাৰ্থীক সম্পূৰ্ণ শিক্ষা ব্যয় সামৰি জলপানি আগবঢ়োৱাৰ কথা ঘোষণা কৰিছে। বিভিন্ন বিষয়ত প্ৰদান কৰিবলগীয়া এই জলপানিৰ উদ্দেশ্য হৈছে ভাৰতীয় প্ৰতিষ্ঠান আৰু বিশ্ববিদ্যালয়সমূহত গুণগত শিক্ষাৰ প্ৰসাৰ কৰা। এই জলপানিয়ে শিক্ষাৰ্থীসকলৰ সম্পূৰ্ণ শিক্ষাৰ ব্যয়, মাহেকীয়া ভৰনপোষণৰ ভাট্টা আৰু কিতাপ তথা অন্যান্য সামগ্ৰীৰ বাবে বাৰ্ষিক অনুদান প্ৰদান কৰিব। তদুপৰি ভাৰতলৈ বিমান যাত্ৰাৰ ভাৰা, শৈক্ষিক ভ্ৰমণৰ অনুদান আৰু হোষ্টেলৰ সুবিধাও এই জলপানিয়ে সামৰি লʼব। এই ব্যৱস্থাই শ্ৰীলংকাৰ সৈতে ভাৰতৰ দীৰ্ঘ দিনীয়া শৈক্ষিক সম্পৰ্ক প্ৰতিফলিত কৰিছে। উল্লেখযোগ্য ভাৰতে প্ৰতিবছৰে দেশখনৰ ৭০০ ৰো অধিক শিক্ষাৰ্থীক জলপানি প্ৰদান কৰি আহিছে।

0000000

অসমত বি টি আৰ চুক্তি আৰু বড়ো শান্তি চুক্তিৰ পঞ্চম বাৰ্ষিকী উপলক্ষে কোকৰাঝাৰত আয়োজিত অনুষ্ঠানৰ আজি দ্বিতীয় দিনৰ কাৰ্যসূচীত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰে। এই অনুষ্ঠানতে তেওঁ হৰিণাগুৰিত নতুনকৈ নিৰ্মাণ কৰা বি টি চি ৰ কাৰ্যবাহী সদস্য আৰু পাৰিষদসকলৰ আবাসিক চৌহদো মুকলি কৰে। তদুপৰি মুখ্যমন্ত্ৰীয়ে আজি কোকৰাঝাৰ বিশ্ববিদ্যালয়ৰ প্ৰশাসনিক ভৱনৰ আধাৰশিলাও স্থাপন কৰে। এই কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ পাছত মুখ্যমন্ত্ৰী ডঃ শৰ্মাই কোকৰাঝাৰত আয়োজন কৰা বাথৌ পূজাৰ অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

উল্লেখযোগ্য যে ২০২০ চনত স্বাক্ষৰিত বড়ো শান্তি চুক্তিয়ে বি টি আৰত শান্তি আৰু উন্নয়নৰ অভূতপূৰ্ব পৰিৱেশৰ সূচনা কৰিছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমযোগে প্ৰকাশ কৰে। তেওঁ কয়, যে বড়ো শান্তি চুক্তিৰ পাঁচ বছৰে উন্নয়ন আৰু বিকাশক প্ৰাধান্য দি ভৱিষ্যত নিৰ্মাণৰ ক্ষেত্ৰত জনসাধাৰণ, চৰকাৰ আৰু সকলো অংশীদাৰৰ সামূহিক ইচ্ছাক প্ৰতিনিধিত্ব কৰিছে।

০০০০০০০

বেংককৰ নিমিবুটাৰ ষ্টেডিয়ামত আজিৰে পৰা থাইলেণ্ড মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। ভাৰতৰ হৈ প্ৰথমখন খেলত কিডাম্বি শ্ৰীকান্তে পুৰুষৰ ছিংগলছৰ প্ৰথমটো ৰাউণ্ডত ইজৰাইলৰ দানিল ডুব'ভেংকোৰ মুখামুখি হ'ব। ভাৰতৰ আয়ুষ ছেট্টী, তৰুণ মন্নেপল্লী, শংকৰ সুব্ৰমণিয়ম, সতীশ কৰুণাকৰণ, মেইৰাবা মেইছনম, ঋত্বিক সাঞ্জীৱী আৰু মিঠুন মঞ্জুনাথেও থাইলেণ্ড মাষ্টাৰ্ছৰ পুৰুষৰ ছিংগলছত অৱতীৰ্ণ হ'ব। মহিলাৰ ছিংগলছত টানিয়া হেমনাথে ৰাউণ্ড অব থাৰ্টি টুৰ মালয়েছিয়াৰ ছেলভাডুৰে কিছোনাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

ভাৰত আৰু ইংলেণ্ডৰ মাজৰ টি-টুৱেণ্টি শৃংখলাৰ তৃতীয়খন খেল আজি গুজৰাটৰ ৰাজকোটৰ নিৰঞ্জন শ্বাহ ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। পাঁচখন খেলৰ শৃংখলাটোত সূৰ্য কুমাৰ যাদৱৰ নেতৃত্বাৰ ভাৰতৰ দলটো ২-০ৰ ব্যৱধানত আগবাঢ়ি আছে। কলকাতাত অনুষ্ঠিত শৃংখলাৰ প্ৰথমখন খেলত ৭ উইকেটত আৰু চেন্নাইত অনুষ্ঠিত দ্বিতীয়খন খেলত ২ উইকেটত ভাৰতে ইংলেণ্ডক পৰাস্ত কৰিছিল।

০০০০০০০

আন্তৰ্জাতিক ক্ৰিকেট পৰিষদ, আই চি চিয়ে নিউজিলেণ্ডৰ এমিলিয়া কেৰক **আই চি চি বছৰটোৰ শ্ৰেষ্ঠ মহিলা ক্ৰিকেটাৰ** হিচাপে ঘোষণা কৰিছে। বিগত বৰ্ষৰ ভাল প্ৰদৰ্শন কৰা মহিলা ক্ৰিকেট খেলুৱৈসকলৰ মাজৰ পৰা নিউজিলেণ্ডৰ ২৪ বছৰীয়া খেলুৱৈগৰাকীক এই সন্মানৰ বাবে বাচনি কৰা হয়। এমিলিয়া কেৰ হৈছে আই চি চিৰ শ্ৰেষ্ঠ খেলুৱৈ সন্মান লাভ কৰা নিউজলেণ্ডৰ প্ৰথমগৰাকী ক্ৰিকেটাৰ।

০০০০০০০

সমাপ্ত